
স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

OL-15 ☐ NO-139 ☐ THURSDAY 24 JI LY 2025 (ডিব্ৰুগড় সংস্কৰণ/DIB

## কানৈ মহাবিদ্যালয়ৰ স্ব-অৰ্থায়িত পাঠ্যক্ৰমৰ শুভাৰম্ভ



বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৩ জুলাই ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ স্ব-অৰ্থায়িত পাঠ্যক্ৰম ক্ৰমে সমাজতত্ত্ব, মনোবিজ্ঞান, শিক্ষাতত্ত্ব, বিচিএ, জৈৱ- প্ৰযুক্তি, সাংবাদিকতা আৰু গণসংযোগ বিভাগৰ শুভাৰম্ভণী অনুষ্ঠান ২১ জুলাইত অনুষ্ঠিত হয়। পুৱা ১১.৩০ বজাৰ পৰা মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত অনুষ্ঠিত অনুষ্ঠান উদ্বোধন কৰে অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। উদ্বোধনী ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই নৱাগত ছাত্ৰ-ছাত্ৰীসকলক মহাবিদ্যালয়খনৰ বিষয়ে চমু আভাস দিয়াৰ লগতে আহিবলগীয়া দিনত মহাবিদ্যালয়খনৰ উন্নতিৰ হকে কাম কৰি যাবলৈ অনুপ্ৰাণিত কৰে। অধ্যক্ষগৰাকীয়ে লগতে নৱাগত ছাত্ৰ-ছাত্ৰীসকলক সময়ক অধিক গুৰুত্ব দি, সময় অপচয় নকৰি জীৱনটোক সফলতাৰ দিশত আগুৱাই নিবলৈ আহ্বান জনায়। মনোবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা উপাসনা দত্তই আঁত ধৰা অনুষ্ঠানত উপস্থিত থাকি পৰীক্ষা নিয়ন্ত্ৰক ড° মৃদুল শৰ্মাই নৱাগত ছাত্ৰ-ছাত্ৰীসকলক নতুন শিক্ষানীতিৰ পাঠ্যক্ৰম কিদৰে পঢ়িলে লাভৱান হ'ব সেই বিষয়ে তেওঁলোকক অৱগত কৰে। অনুষ্ঠানত স্ব-অৰ্থায়িত পাঠ্যক্ৰমৰ অধ্যাপক-অধ্যাপিকাকে ধৰি শতাধিক নৱাগত ছাত্ৰ-ছাত্ৰীৰ লগতে ভালেসংখ্যক অভিভাৱক-অভিভাৱিকা উপস্থিত থাকে। অনুষ্ঠানৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ স্মৃতিবিজড়িত বিভিন্ন তথ্যচিত্ৰ নৱাগত ছাত্ৰ-ছাত্ৰীসকলৰ আগত প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় শিক্ষাতত্ত্ব বিভাগৰ অধ্যাপিকা ড° মনীষা ডেকাই।



## নগাঁৱৰ আউনীআটী বনৰৌ উদ্ধা

বিশেষ বাৰ্তা, নগাঁও, ২৩
ঃ নগাঁও জিলাৰ আউনী
২১ জুলাইত উদ্ধাৰ হ
দুষ্প্ৰাপ্য বনৰৌ। আউনী
ৰীমা শইকীয়া
মহিলাগৰাকীৰ ঘৰত উ
বনৰৌটো। বনৰৌটো চা
লোকে ভিৰ কৰা পৰি
হয়। পিছত বন বিভাগ
দিয়াত নগাঁও সদৰ বন
কাৰ্যালয়ৰ বনকৰ্মী উপ
বনৰৌটো উদ্ধাৰ কৰি ব
মুকলি কৰি দিয়ে।

## এনটি ডা